DAILY ASSAM

## ২৩। বাক্য সংকোচন

২৩ ঃ ১ মানুহে মনৰ ভাব ঘূৰাই-পকাই বিস্তৃতভাৱে প্ৰকাশ কৰিব পাৰে, নাইবা পোনপটীয়াকৈ চমু কথাৰেও প্ৰকাশ কৰিব পাৰে। কম কথাৰে সম্পূৰ্ণ ভাব প্ৰকাশ কৰিব পৰাটো ডাঙৰ গুণ। ভাষা ব্যঞ্জনাময় কৰিবলৈ সাধাৰণতে চমু কথাৰে মনৰ ভাব ব্যক্ত কৰা হয়। কথা চমুকৈ প্ৰকাশ কৰিবলৈ নিম্নলিখিত উপায়বোৰ অৱলম্বন কৰা হয়।

২৩ ঃ ২ কোনো বাক্যৰ উদ্দেশ্য আৰু বিধেয়ৰ সম্প্ৰসাৰক হিচাপে ব্যৱহাৰ হোৱা খণ্ডবাক্যক একেটি পদ বা বাক্যাংশ ব্যৱহাৰ কৰি চমু কৰিব পাৰি। যথা—

(১) যিবোৰ ছাত্ৰই স্কুলত শিক্ষালয়, সিহঁতেই প্ৰকৃততে সুখী। স্কুলীয়া ছাত্ৰ প্ৰকৃততে সুখী।

(২) মই যেনেকৈ আঁকিবলৈ কৈছোঁ সি তেনেকৈ আঁকিছে।
মই আঁকিবলৈ কোৱামতে সি আঁকিছে।

(৩) যাৰ ভাগ্য বেয়া, সি জীৱনত সুখ নাপায়।
হতভাগ্য লোকে জীৱনত সুখ নাপায়।

**জটিল বা যৌগিক বাক্যক সৰল বাক্যলৈ পৰিৱৰ্তন কৰিলেই বাক্য সংকুচিত হয়। যথা—**

জটিল বাক্য— (১) যি লোকে (বা যিজনে) সদায় লিখা-পঢ়া কৰে, তেৱেঁই প্ৰকৃত জ্ঞান পাব পাৰে। সদায় লিখা-পঢ়া কৰা লোকে প্ৰকৃত জ্ঞান পাব পাৰে।

যৌগিক বাক্য— (২) তাই পঢ়া-শুনাত বৰ ভাল, কিন্তু তাইৰ ব্যৱহাৰ বৰ বেয়া। তাই পঢ়া-শুনাত বৰ ভাল যদিও তাইৰ ব্যৱহাৰ বৰ বেয়া।

২৩ ঃ ৩ শব্দবোৰক বাক্যত পদ হিচাপে ব্যৱহাৰ কৰোঁতে সুবিধানুযায়ী লগ লগাই (সিদ্ধি কৰি) চমু কৰাৰ দৰে বাক্যৰ একেটি অংশ সমাসবদ্ধ কৰি চমু কৰা হয়। যথা—

১। বহুব্ৰীহি সমাসবদ্ধ কৰি চমু কৰা হয়। যথা—
এক মাতৃৰ গৰ্ভত জন্ম যাৰ— সেয়ে সহোদৰ বা সোদৰ।
মাটিত হোৱা কঁঠালৰ তুল্য ফল যি— সেয়ে মাটিকঁঠাল বা আনাৰস।
নেউলৰ (নকুলৰ) দৰে মুখ যাৰ— নেউলমুৱা।

২। কৰ্মধাৰয় সমাসবদ্ধ কৰি বাক্য চমু কৰা হয়। যথা—
পিতল বৰণৰ যি চকু— পিতলচকু।
পিটিকা যি আলু— আলুপিটিকা।
ভজা যি বেঙেনা— বেঙেনাভজা।

DAILY ASSAM

৩। তৎপুৰুষ সমাসবদ্ধ কৰি বাক্য চমু কৰা হয়। যথা—
বৰশীৰে ধৰা (মাছ) — বৰশী-ধৰা (মাছ)।
হাতেৰে বোৱা (কাপোৰ) — হাতে বোৱা (কাপোৰ)।
ডেকালৈ চাং— ডেকাচাং।
গছৰপৰা সৰা — গছসৰা।

৪। অব্যয়ীভাৱ সমাস-নিষ্পন্ন পদেৰে চমু কৰা হয়। যথা—
জীৱন পৰ্যন্ত — আজীৱন।
আবাল, বৃদ্ধ আৰু বণিতা পৰ্যন্ত — আবালবৃদ্ধবণিতা।
মৰণ পৰ্যন্ত — আমৰণ।
মূৰ্তিৰ সদৃশ (নিচিনা) — প্ৰতিমূৰ্তি।

৫। দ্বন্দ্ব সমাস-নিষ্পন্ন পদেৰে চমু কৰা হয়। যথা—
কাঁহী, বাটি আৰু এই জাতীয় লোটা, ঘটি আদি— কাঁহী-বাটি।
ৰাম, যদু, মধু, হৰি আদি — ৰামহঁত।

৬। দ্বিগু সমাস-নিষ্পন্ন পদৰে যথা—
সাত দিন ব্যাপি যি বিহু — সাতবিহু।
দুই ঘৰৰ মাজ — দোঘৰা।
দুই মাহৰ মাজৰ দিন — দোমাহী।

২৩ ঃ ৪ কৃৎপ্ৰত্যয়ৰ যোগেদি চমু কৰা হয়। যথা—
দীৰ্ঘকাল জীয়াই থাকে যি— দীৰ্ঘজীৱী।
পিতৃক বধ যিয়ে কৰে সি — পিতৃহন্তা।
বেছিকৈ যিয়ে কান্দি থাকে সি — কান্দুৰা।
যুঁজত পাৰ্গত যি সেয়ে — যুঁজাৰু।

২৩ ঃ ৫ তদ্ধিত প্ৰত্যয়ৰ যোগেদিও চমু কৰিব পাৰি। যথা—
শেষত উৎপন্ন হয় যি সেয়ে — শেহতীয়া।
নাম গোৱাত পাকৈত যি সেয়ে — নামতী।
বিষ্ণুৰ ভকত যি — বৈষ্ণৱ।
ফুলৰ কাম কৰা যি — ফুলাম।

২৩ ঃ ৬ কেতিয়াবা কেইবাটাও পদৰ সলনি একেটি পদেৰে বুজোৱা হয়। তেনেকৈ একেটি পদেৰে বুজোৱা শব্দ ব্যৱহাৰ কৰি বাক্য চমু কৰা হয়। যথা—
ৰান্ধি খাব পৰা কলৰ পুলি — পচলা।
একে ঠাইত স্থায়ীভাৱে বসবাস নকৰা লোক — অঘৰী।
যাৰ মাক-পিতাক মৰিছে — মাউৰা।